জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩১/২০২১**

## মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালৰ ক'ভিড ৱাৰ্ড পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

### হোম কোৱাৰেন্টাইনত থকা ৰোগীসকলক তেজৰ অক্সিজেনৰ মাত্ৰা সঘনাই পৰীক্ষা কৰি থকাৰ আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৭ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালৰ ক'ভিড ৱাৰ্ড পৰিদৰ্শন কৰি হাস্পতালখনত প্ৰদান কৰি থকা চিকিৎসা সেৱা আৰু অন্যান্য সা-সুবিধাৰ বুজ লয়। পৰিদৰ্শন কালত মুখ্যমন্ত্ৰীয়ে কৰ্তব্যৰত চিকিৎসকসকলৰ সৈতে মত-বিনিময় কৰি চিকিৎসালয়খনত ক'ভিড ৰোগীসকলক আগবঢ়োৱা চিকিৎসা সেৱা বিশেষকৈ জটিল ৰোগীসকলৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাৱলীৰো বুজ লয়।

ইয়াৰ পিছতে হাস্পতাল চৌহদত উপস্থিত থকা সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিডৰ এই কালছোৱাত আজিয়েই সৰ্বাধিক ৰোগীৰ মৃত্যু হৈছে। ইয়াৰে প্ৰায়সংখ্যক ৰোগীয়ে যথেষ্ট জটিল অৱস্থাৰ পিছতহে হাস্পতালত ভৰ্ত্তি হৈছে। মুখ্যমন্ত্ৰীয়ে হোম কোৱাৰেন্টাইনত থকা ৰোগীসকলক অক্সিজেনৰ মাত্ৰা সঘনাই পৰীক্ষা কৰি থকাৰ আহ্বান জনোৱাৰ লগতে তেজৰ অক্সিজেনৰ মাত্ৰা ৯০ বা তাৰ তললৈ আহিলে ঘৰত নাথাকি তৎকালে হাস্পতালত ভৰ্ত্তি হোৱাৰ বাবে আহ্বান জনায়। ৰোগীসকলে শোচনীয় অৱস্থাত হাস্পতাললৈ আহিলে চিকিৎসকসকলে কৰিবলগীয়া ব্যৱস্থা বহুত কমি যায় বুলি উল্লেখ কৰি তেওঁ কয় যে কিছুদিনৰ পৰা এই হাস্পতালত আই চি ইউ আৰু অক্সিজেনযুক্ত বিচনাৰ সংখ্যা বৃদ্ধি কৰাৰ পদক্ষেপ লৈ থকা হৈছে। পূৰ্বতে এই হাস্পতালত ২৪ খন বিচনা আছিল যদিও যোৱা কালিৰ পৰা আৰু ৪৬ খন আই চি ইউ অক্সিজেনযুক্ত বিচনা বৃদ্ধি কৰা হৈছে বুলি তেওঁ অৱগত কৰে। মৃত্যুৰ সংখ্যা কমাবলৈ হ'লে হোম কোৱাৰেন্টাইনত থকা ৰোগীৰ সংখ্যা কমাব লাগিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে সংক্ৰমণ প্ৰতিৰোধৰ বাবে অহা শুক্ৰবাৰৰ পৰা আন্তঃজিলা যাতায়াত বন্ধ কৰা হ'ব।

আজিৰ এই পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে সাংসদ পল্লৱ লোচন দাস, হাস্পতালখনৰ অধীক্ষককে ধৰি জ্যেষ্ঠ চিকিৎসকসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ**
**১৭/০৫/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in